**2018**

# ASSAMESE

( Major )

Paper : 5.1

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়া : ১×৭=৭

(ক) "ই কালক্রমত লোকমনোৰঞ্জন, লোকসংগ্ৰহ আৰু লোকহিতৰ মাধ্যম হৈ পৰিল।" অংকীয়া নাট সম্পৰ্কে আগবঢ়োৱা এইষাৰ মন্তব্য কাৰ?

(খ) ৰুক্মিণীৰ সৌন্দৰ্যৰ বতৰা কঢ়িয়াই অনা ভিক্ষুকগৰাকীৰ নাম কি?

(গ) 'আমুখ' কি?

(ঘ) নলকুবেৰ আৰু মণিগ্ৰীৱ কাৰ পুত্ৰ আছিল?

(ঙ) ডং সত্যেন্দ্ৰনাথ শৰ্মা সম্পাদিত 'অংকমালা'ত তোমাৰ পাঠ্যৰ অন্তৰ্গত কোনখন নাটে স্থান লাভ কৰিছে?

(চ) 'জন্মযাত্ৰা' নাটত ভূমিৰ ভাৰ হৰণৰ বাবে ব্ৰহ্মাৰ ওচৰত কোনে প্ৰাৰ্থনা কৰাৰ কথা উল্লেখ আছে?

(ছ) সুভদ্ৰাৰ সখীয়েকৰ নাম কি আছিল?

২। *এটা* বা *দুটা* বাক্যত তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া : ২×৪=৮

(ক) 'নাট্যশাস্ত্ৰ'ত থকা কেনেধৰণৰ বিধি-নিষেধ অংকীয়া নাটত মানি লোৱা হোৱা নাইৰ দুটা উদাহৰণ দিয়া।

(খ) 'ৰুক্মিণী হৰণ' নাটত উল্লেখিত দুজন কৃষ্ণবিদ্বেষী ৰজাৰ নাম লিখা।

(গ) 'অৰ্জুন ভঞ্জন' নাটৰ আন এটা নাম কি? এই নাটৰ শেষত সন্নিৱিষ্ট গীতটোৰ ৰাগৰ নাম উল্লেখ কৰা।

(ঘ) ''যব ভৈল সন্যাসী তব তে কৈছন আসি
দোহো কন্যা কয়লি বিবাহ।''

ইয়াত 'দোহো কন্যা' বুলি কোন দুগৰাকী নাৰীক বুজোৱা হৈছে?

৩। প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা (যি কোনো তিনিছোৱা) : ৫×৩=১৫

(ক) অঘ বক ধেনুক মাৰি। কংস কেশী অন্তকাৰী॥
মধু মুৰ নৰক নিবাৰণ বাৰণ
কুবলয় জীবন হাৰী॥

(খ) হে জগত কাৰণ নাৰায়ণ, কালসৰ্পক ভয়ে ব্ৰহ্ম ভুৱন পৰ্য্যন্ত জীৱ পলাৱল, একোৱে থানে অভয় নাহি পাৱত, কোন ভাগ্যোদয়ে তোহ্মাৰ অভয় চৰণে আশ্ৰয় কয়লে, তেৱে মৃত্যু ভয় চাৰয়, কংসক ভয়ে হামাৰ হৃদয় কম্পয়, ওহি দিব্যৰূপ সম্বৰহ॥





(গ) হেৰিয়ে বয়ন চান্দ বৰি লাজ।
নয়নক পেখি কমল জল মাজ॥
পঙ্কজ বয়ন অলককুল শোহে।
যৈচে ভ্ৰমৰ ৰহত মধুলোহে॥

(ঘ) তুৱা কথা শ্ৰৱণে ৰহোক অবিৰাম।
কৰ মেৰি ৰহোক তোহাৰি কয়ে কাম॥
তুৱা পদ সুমৰি ৰহোক মন থিৰ।
তোহাৰি চৰণ বন্দি ৰহু মেৰি শিৰ॥

(ঙ) হে জগতক পিতামহ, তোহাক দৰশন দেৱৰ দুৰ্লভঃ হামু মানুষ হুয়া তোহাক দৰশন ভেলো, আঃ হামাৰ ভাগ্যক মহিমা কি কহবঃ জনম সাম্ফলঃ আজু দ্বাৰকাপুৰ পবিত্ৰ ভেল॥

৪। তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া (যি কোনো তিনিটা) : ১০×৩=৩০

(ক) অংকীয়া নাটৰ লগত সাদৃশ্য থকা এটা মধ্যযুগীয় থলুৱা লোক-নাট্যানুষ্ঠান আৰু বহিঃৰাজ্যৰ এটা লোক-নাট্যধৰ্মী অনুষ্ঠানৰ পৰিচয়মূলক টোকা আগবঢ়োৱা।

(খ) ''পৰিস্থিতি উজ্জ্বল আৰু চৰিত্ৰ সজীৱ কৰিবলৈ যিখিনিত ৰহণ লগোৱাৰ প্ৰয়োজন সেইখিনিত মহাপুৰুষে নিজস্বভাৱে তুলিকা চলাইছে।''

'ৰুক্মিণী হৰণ' নাটৰ ক্ষেত্ৰত আগবঢ়োৱা উক্ত মন্তব্যৰ সমৰ্থনত যুক্তি দাঙি ধৰা।

(গ) গোপাল আতাৰ সাহিত্যিক প্ৰতিভা সম্পৰ্কে এটি টোকা যুগুত কৰি 'জন্মযাত্ৰা' নাটৰ গীতসমূহৰ সৌন্দৰ্য বিচাৰ কৰা।

(ঘ) ঝুমুৰা বুলিলে কি বুজা? ঝুমুৰাৰ বিশেষত্বসমূহ বহলাই আলোচনা কৰা।

(ঙ) 'ৰুক্মিণী হৰণ' আৰু 'সুভদ্ৰা হৰণ' নাটৰ কোন কোন দিশত মিল লক্ষ্য কৰা যায়, উদাহৰণসহ আলোচনা কৰা।

(চ) ''মাধৱদেৱৰ বিশেষ উদ্দেশ্য সৰল শিশু-প্ৰীতিৰ মাজেদি মোক্ষৰ পথ নিৰ্দেশ কৰা।'' 'অৰ্জুন ভঞ্জন' নাটৰ আলমত এই কথাষাৰৰ যথাৰ্থতা বিচাৰ কৰা।

★★★